**Signature and Name of Invigilator**

1. (Signature) ____________________

   (Name) ____________________

2. (Signature) ____________________

   (Name) ____________________

**OMR Sheet No. :** ....................................................

(To be filled by the Candidate)

**Roll No.** | | | | | | | |

(In figures as per admission card)

**Roll No.** ____________________

(In words)

**Test Booklet No.**

**J—3609**

**PAPER—II**

# ASSAMESE

**Time : 1¼ hours]** **[Maximum Marks : 100**

Number of Pages in this Booklet : **16** Number of Questions in this Booklet : **50**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of fifty multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the question booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the Test Booklet Number should be entered in the OMR Sheet and the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the oval as indicated below on the correct response against each item.

   **Example :** (A) (B) ● (D)

   where (C) is the correct response.
5. Your responses to the items are to be indicated in the Answer Sheet given **inside the Paper I booklet only**. If you mark at any place other than in the ovals in the Answer Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your name or put any mark on any part of the test booklet, except for the space allotted for the relevant entries, which may disclose your identity, you will render yourself liable to disqualification.
9. You have to return the test question booklet and OMR Answer Sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is NO negative marking.**

## परीक्षार्थियों के लिए निर्देश

1. पहले पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए।
2. इस प्रश्न-पत्र में पचास बहुविकल्पीय प्रश्न हैं।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी। पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें। खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं। दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें। इसके लिए आपको पाँच मिनट दिये जायेंगे। उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा।**
   (iii) इस जाँच के बाद प्रश्न-पुस्तिका की क्रम संख्या OMR पत्रक पर अंकित करें और OMR पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं। आपको सही उत्तर के दीर्घवृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है।

   **उदाहरण :** (A) (B) ● (D)

   जबकि (C) सही उत्तर है।
5. प्रश्नों के उत्तर **केवल प्रश्न पत्र I के अन्दर दिये गये** उत्तर-पत्रक पर ही अंकित करने हैं। यदि आप उत्तर पत्रक पर दिये गये दीर्घवृत्त के अलावा किसी अन्य स्थान पर उत्तर चिन्हांकित करते है, तो उसका मूल्यांकन नहीं होगा।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें।
8. यदि आप उत्तर-पुस्तिका पर अपना नाम या ऐसा कोई भी निशान जिससे आपकी पहचान हो सके, किसी भी भाग पर दर्शाते या अंकित करते हैं तो परीक्षा के लिये अयोग्य घोषित कर दिये जायेंगे।
9. आपको परीक्षा समाप्त होने पर प्रश्न-पुस्तिका एवं OMR उत्तर-पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें।
10. **केवल नीले/काले बाल प्वाईंट पैन का ही इस्तेमाल करें।**
11. **किसी भी प्रकार का संगणक ( कैलकुलेटर ) या लाग टेबल आदि का प्रयोग वर्जित है।**
12. **गलत उत्तर के लिए अंक नहीं काटे जायेंगे।**

# ASSAMESE

## অসমীয়া

## PAPER – II

## প্ৰশ্নকাকত – II

**Note :** This paper contains **fifty** (50) objective-type questions, each question carrying **two** (2) marks. Attempt **all** of them.

*টোকা ঃ* এই প্ৰশ্ন-কাকতত বহু-বিকল্পীয় (50) (পঞ্চাছ)টা প্ৰশ্ন আছে। প্ৰতিটো প্ৰশ্নৰ মূল্যাংক (2) (দুই)। সকলো প্ৰশ্নৰ উত্তৰ কৰিবা।

***তলৰ 1 ৰ পৰা 20 লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ তলত A, B, C, D চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে । তাৰে পৰা শুদ্ধ উত্তৰটো বাচি উলিওৱা।***

**1.** খাচপুৰত ৰাজত্ব কৰা ৰজাজনৰ নাম ঃ

(A) তাম্ৰধ্বজ (B) দুৰ্লভ নাৰায়ণ (C) ময়ূৰধ্বজ (D) মহামাণিক্য

**2.** 'অনাদি পাতন'ৰ মূল বিষয়বস্তু হ'ল ঃ

(A) সৃষ্টিৰ আদি আৰু প্ৰলয় (B) সৃষ্টিৰ তত্ত্ব

(C) সৃষ্টিৰ সংহাৰ (D) সৃষ্টিৰ আনন্দ

**3.** সংস্কৃত 'ভক্তি ৰত্নাৱলী' পুথিখন বাৰাণসীৰ পৰা শঙ্কৰদেৱক আনি দিওঁতা জনৰ নাম—

(A) মাধৱদেৱ (B) দ্বিজ কণ্ঠভূষণ (C) দামোদৰদেৱে (D) ব্যাস কলাইয়

**4.** 'জন্ম ৰহস্য' পুথিৰ ৰচয়িতাৰ নাম —

(A) শঙ্কৰদেৱ (B) মাধৱদেৱ (C) পীতাম্বৰ কবি (D) ভট্টদেৱ

**5.** 'ধৰ্ম পুস্তক' পুথিখনৰ ৰচয়িতাৰ নাম ঃ

(A) ও. টি কাটাৰ (B) উইলিয়াম কেৰী

(C) এ. কে গাৰ্নী (D) আনন্দৰাম ঢেকিয়াল ফুকন

**6.** 'আসাম বিলাসিনী' কাকতৰ প্ৰকাশ-চন ঃ

(A) ৰজ্জ্বচ্ছুহ (B) ৰজ্জ্বজ্জ্ব (C) ৰজ্জ্বজ্জ (D) ৰজ্জ্বজ্জ্বজ্ম

7. ‘অসমীয়া ভাষাৰ আখৰ জোঁটনি’ ৰচনাখনৰ লেখকৰ নাম ঃ

(A) বাণীকান্ত কাকতি (B) হেমচন্দ্ৰ বৰুৱা

(C) কালিৰাম মেধি (D) লম্বোদৰ বৰা

8. ক্ৰিয়া-বিশেষণৰ এটা উদাহৰণ

(A) কৰাহেঁতেন (B) ক’বলগীয়া (C) ভালে-কুশলে (D) শুনিবলৈ

9. ভাষাতত্ত্বমতে অসমীয়া ভাষাত কাৰক আৰু শব্দ-বিভক্তিৰ সংখ্যা—

(A) চাৰিটা (B) পাঁচটা (C) ছ-টা (D) সাতটা

10. হেমচন্দ্ৰ বৰুৱাৰ মতে ‘অসমীয়া ভাষাৰ বৰ্ণবিন্যাস’ কৰা হয়—

(A) তিনি প্ৰকাৰে (B) দুই প্ৰকাৰে (C) চাৰি প্ৰকাৰে (D) পাঁচ প্ৰকাৰে

11. অসমীয়া ভাষাত সৰ্বমুঠ বিশিষ্ট ধ্বনিৰ সংখ্যা ঃ

(A) চল্লিশটা (B) ঊনচল্লিশটা (C) ঊনত্ৰিশটা (D) একাৰন্নটা

12. ‘শাহুৰেৰা’ পদটোৰ ‘এৰ-আ’ প্ৰত্যয়টোক বোলা হয়—

(A) অনিৰ্দিষ্টতাবাচক (B) শব্দ বিভক্তি

(C) পৰসৰ্গ (D) পুৰুষবাচক-নিৰ্দিষ্টতাবাচক

13. ‘হাইদাং গীত’ হ’ল—

(A) মিচিঙৰ (B) বড়োৰ (C) খামতিৰ (D) সোণোৱাল কছাৰীৰ

14. ‘লতামণি’ নামৰ পুৰুষে পিন্ধা অলঙ্কাৰবিধ পিন্ধা হয়—

(A) ডিঙিত (B) বাহুত (C) কাণত (D) কঁকালত

15. ৰাগাশ্ৰয়ী নহয় এনে গীতৰ উদাহৰণ—

(A) চৰ্যাপদ
(B) বৰগীত
(C) ওজাপালিৰ গীত
(D) টোকাৰী গীত

16. 'Rhythm in the Vaishnava Music of Assam' পুথিখনৰ ৰচয়িতাৰ নাম ঃ

(A) কেশৱ চন্দ্ৰ চাৰকাকতী
(B) মহেশ্বৰ নেওগ
(C) বীৰেন্দ্ৰ নাথ ফুকন
(D) লক্ষ্মীৰাম বৰুৱা

17. গোপাল আতাই প্ৰতিষ্ঠা কৰা সংহতি—

(A) ব্ৰহ্ম (B) নিকা (C) কাল (D) পুৰুষ

18. লক্ষ্মীনাথ বেজবৰুৱাই “ভাষাৰ লালিত্য, ছন্দৰ ঝংকাৰ, সুৰৰ লাৱণ্য, ভাবৰ মাধুৰ্য, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে ৰচিত” বুলি অভিহিত কৰা শঙ্কৰদেৰৰ পুথিখন—

(A) দশম (B) পাৰিজাত হৰণ (C) কীৰ্তন (D) ৰুক্মিণী হৰণ কাব্য

19. ‘চি-য়ু-কি’ নামৰ ভ্ৰমণ বৃত্তান্তমূলক গ্ৰন্থখনৰ ৰচয়িতা

(A) হংসবেগ (B) হিউৱেন চাং (C) ফাহিয়ান (D) মীৰজুমলা

20. ‘গৰীয়সী’ আলোচনীৰ প্ৰতিষ্ঠাপক সম্পাদকৰ নাম—

(A) হোমেন বৰগোহাঞি
(B) ভবেন্দ্ৰ নাথ শইকীয়া
(C) তিলক হাজৰিকা
(D) চন্দ্ৰপ্ৰসাদ শইকীয়া

**তলৰ 21 ৰ পৰা 30 লৈ দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি বা কাৰ্যকাৰণ নিৰ্ণয় কৰি A, B, C, D চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে। তাৰে পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰা।**

21. অসমীয়া লোকগীতবোৰৰ সৈতে আধুনিক কবিতাৰ অমিল হোৱাৰ এটা কাৰণ ঃ

(A) লোকগীতবোৰৰ কোনো লিখিত ৰূপ নাছিল।
(B) লোকগীতবোৰৰ বৈশিষ্ট্যৰ সৰলতা।
(C) লোকগীতবোৰৰ বিষয়বস্তু পৌৰাণিক।
(D) লোকগীতবোৰত অপ্ৰাসঙ্গিক শব্দৰ প্ৰাচুৰ্য।

22. ‘ভক্তি ৰত্নাৱলী’ গ্ৰন্থখন অতিশয় জনপ্ৰিয় হোৱাৰ কাৰণ ঃ

(A) এই গ্ৰন্থখন বিষ্ণুপুৰী সন্ন্যাসীয়ে ৰচনা কৰিছিল।

(B) এই গ্ৰন্থখন মাধৱদেৱে অসমীয়ালৈ অনুবাদ কৰিছিল।

(C) এই গ্ৰন্থখন ভক্তিতত্ত্ব আৰু ভক্তিৰসৰ মূল তথ্যৰ পৰিপূৰ্ণ।

(D) এই গ্ৰন্থখনক শঙ্কৰদেৱে অতি মূল্যবান গ্ৰন্থ বুলিছিল।

23. মাধৱ কন্দলিয়ে অনুবাদ কৰা ৰামায়ণৰ পাঁচটা কাণ্ডহে পোৱাৰ কাৰণ ঃ

(A) তেওঁ অনুবাদ কৰা ৰামায়ণ পুথিখন প্ৰাকৃতিক দুৰ্যোগত নষ্ট হৈছিল।

(B) তেওঁ মূল সংস্কৃত ৰামায়ণৰ পাঁচটা কাণ্ডহে পাইছিল।

(C) মূল সংস্কৃত ৰামায়ণত সাতটা কাণ্ড নাছিল।

(D) মাধৱ কন্দলিৰ পিছতহে ৰামায়ণ সাতকাণ্ড-বিশিষ্ট হৈছিল।

24. অসমত বুৰঞ্জী-সাহিত্যৰ প্ৰাচুৰ্যৰ মূল কাৰণ হ’ল ঃ

(A) আহোমসকলে বুৰঞ্জী লিখি ৰখাটো বাধ্যতামূলক বুলি গণ্য কৰিছিল।

(B) অসমীয়া পণ্ডিতসকলে বুৰঞ্জী লিখিবলৈ ভাল পাইছিল।

(C) বুৰঞ্জী গদ্যত লিখিব পাৰিছিল।

(D) আহোমসকলৰ পূৰ্বেও বুৰঞ্জী সাহিত্য আছিল।

25. ৰজ্জুছ চনৰপৰা ইষ্ট-ইণ্ডিয়া কোম্পানীৰ আমোলত অসমত বঙলা ভাষা প্ৰৱৰ্তন কৰাৰ মুখ্য কাৰণ হ’ল ঃ

(A) সেই সময়ত বঙ্গদেশৰ চৰকাৰী ভাষা আছিল বঙলা।

(B) অসমত কৰ্মৰত বঙালী আমোলা-কেৰাণীসকলে ইংৰাজ চৰকাৰক অসমীয়া ভাষা বঙলাৰেই অপভ্ৰংশ বুলি বুজাইছিল।

(C) অসমৰ লেখকসকলে বঙলা ভাষাৰ চৰ্চা কৰিছিল।

(D) ইংৰাজ চৰকাৰৰ গৃহীত নীতি।

**26.** উজনি অসমৰ কথিত ভাষাটোৱে মান্য অসমীয়াৰ মৰ্যাদা লাভৰ কাৰণ ঃ

(A) ৰংপুৰ আহোম ৰাজ্যৰ ৰাজধানী আছিল।

(B) মিছনেৰীসকলৰ কাৰ্যাৱলীৰ মূল স্থান আছিল শিৱসাগৰ।

(C) 'অৰুণোদই সংবাদ পত্ৰ' আৰু অন্যান্য কিতাপত শিৱসাগৰ অঞ্চলৰ ভাষাই স্থান পাইছিল।

(D) মিছনেৰীসকলে শিক্ষা বিস্তাৰৰ কাম সংশ্লিষ্ট অঞ্চলৰ ভাষাতহে আৰম্ভ কৰিছিল।

**27.** বিবিধ বিহাৰ বিশাৰদ শাৰদ

ইন্দু নিন্দি পৰ কাশী।

শেষ শয়ন শিৰ কেশী বিনাশন

পীতবসন অবিনাশী।

এই পদফাঁকি তলৰ কোনটো অলঙ্কাৰৰ উদাহৰণ

(A) উপমা (B) যমক (C) অনুপ্ৰাস (D) শ্লেষ

**28.** পুত্ৰ বনবাসৰূপ ই দাৰুণ কথা

বাজিলন্ত শেলবৎ কৌশল্যা হৃদয়

ঘূৰিল আকাশ যেন ঘূৰিল মেদিনী

সব অন্ধকাৰময় পৰিল ভূতলে

হুৱা অচেতন ৰাণী শালবৃক্ষ জোপা

ছেদিলে পৰম যেন অকস্মাৎ বনে।

এই উদ্ধৃতিত অভিব্যক্ত ৰস ঃ

(A) বীৰ (B) কৰুণ (C) ভয়ানক (D) অদ্ভুত

**29.** অ. ভা. উ. সা. —ৰ সম্পূৰ্ণ নামটো হ'ল ঃ

(A) অসমৰ ভাষা উন্নতি সাধিনী সভা

(B) অসমীয়া ভাষা উন্নতি সাধিনী সভা

(C) অসমীয়া ভাষা উৎকৰ্ষ সাধিনী সভা

(D) অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা

30. অসমৰ সংস্কৃতিক বাৰেবৰণীয়া সংস্কৃতি বোলাৰ কাৰণ—

(A) অসমৰ সংস্কৃতিত অষ্ট্ৰিক আৰু মঙ্গোলীয় উপাদান অধিক সোমাই আছে।

(B) অসমীয়া সংস্কৃতিত আৰ্য আৰু আৰ্যভিন্ন সংস্কৃতিৰ সমন্বয় ঘটিছে।

(C) অসমীয়া সংস্কৃতিয়ে হিন্দু ধৰ্ম আৰু ইছলাম ধৰ্মৰ বহুতো দিশ অন্তৰ্ভুক্ত কৰিছে।

(D) অসমীয়া সংস্কৃতি কেৱল বড়ো আৰু ৰাভা সংস্কৃতিৰ উপাদানেৰে পৰিপূৰ্ণ।

*তলৰ 31ৰ পৰা 38লৈ থকা প্ৰশ্নসমূহৰ প্ৰতিটো প্ৰশ্নতে উল্লেখ কৰা আলোচনীযপুথিযলেখকযনৃগোষ্ঠীসমূহৰ যাথাক্ৰমে প্ৰকাশনযজন্মযপ্ৰব্ৰজনৰ সময় অনুসৰি একাদিক্ৰমে তালিকাবদ্ধ কৰি A, B, C আৰু D চাৰিটা বিকল্প দিয়া হৈছে। তাৰে পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰা ঃ*

31. (i) ৰাম সৰস্বতী

(ii) কবিৰত্ন সৰস্বতী

(iii) হেম সৰস্বতী

(iv) ৰুদ্ৰ সৰস্বতী

(A) (i) (iii) (iv) (ii)

(B) (iv) (ii) (iii) (i)

(C) (iv) (iii) (ii) (i)

(D) (i) (ii) (iv) (iii)

32. (i) বাঁহী

(ii) আসাম বিলাসিনী

(iii) জয়ন্তী

(iv) জোনাকী

(A) (iv) (i) (ii) (iii)

(B) (i) (ii) (iii) (iv)

(C) (ii) (iv) (i) (iii)

(D) (ii) (iii) (i) (iv)

**33.** (i) A Grammar of Assamese Language

(ii) অচমিয়া ইংৰাজি অভিধান

(iii) অসমীয়া ব্যাকৰণ

(iv) Grammatical Notices of the Assamese Language

(A) (i) (ii) (iii) (iv)

(B) (i) (iv) (iii) (ii)

(C) (i) (iii) (ii) (iv)

(D) (ii) (i) (iv) (iii)

**34.** (i) ডুবি শাসনৰ লিপি

(ii) উমাচল লিপি

(iii) কানাই বৰশীবোৱা লিপি

(iv) ইন্দ্রপালৰ শাসনৰ লিপি

(A) (i) (iii) (iv) (ii)

(B) (ii) (i) (iv) (iii)

(C) (iii) (ii) (i) (iv)

(D) (iv) (iii) (ii) (i)

**35.** (i) ভৱভূতি

(ii) কালিদাস

(iii) বাণ

(iv) শ্ৰীহৰ্ষ

(A) (i) (iv) (iii) (ii)

(B) (iv) (iii) (i) (ii)

(C) (ii) (i) (iv) (iii)

(D) (ii) (iii) (iv) (i)

**36.** (i) কামিনীকান্তৰ চৰিত্ৰ

(ii) কানীয়া কীৰ্ত্তন

(iii) বঙাল-বঙালনী

(iv) সদৰামীনৰ আত্মজীৱনী

(A) (ii) (iii) (i) (iv)

(B) (i) (ii) (iv) (iii)

(C) (iv) (ii) (i) (iii)

(D) (ii) (i) (iii) (iv)

**37.** (i) দহিকতৰা

(ii) তুমি

(iii) ওমৰতীৰ্থ

(iv) মানসী

(A) (i) (iii) (ii) (iv)

(B) (iv) (iii) (ii) (i)

(C) (iii) (ii) (iv) (i)

(D) (ii) (iii) (i) (iv)

**38.** (i) তেজপুৰ বিশ্ববিদ্যালয়

(ii) গুৱাহাটী বিশ্ববিদ্যালয়

(iii) কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়

(iv) ডিব্ৰুগড় বিশ্ববিদ্যালয়

(A) (iv) (i) (iii) (ii)

(B) (iii) (i) (iv) (ii)

(C) (ii) (iv) (i) (iii)

(D) (i) (iii) (iv) (ii)

*তলৰ 39ৰ পৰা 45লৈ দিয়া প্ৰশ্নসমূহত ‘ক’ স্তম্ভত থকা বিষয়ৰ লগত সম্পৰ্ক থকা ‘খ’ স্তম্ভত দিয়া বিষয়সমূহক মিলাই A, B, C আৰু D এই চাৰিটা বিকল্প দেখুওৱা হৈছে। তাৰে পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰা ঃ*

**39.**

| স্তম্ভ ‘ক’ | | স্তম্ভ ‘খ’ | |
|---|---|---|---|
| (a) | ভোজন ব্যৱহাৰ | (i) | ৰামচৰণ ঠাকুৰ |
| (b) | নন্দোৎসৱ | (ii) | ভূষণ দ্বিজ |
| (c) | কংস বধ | (iii) | যদুমণি দেব |
| (d) | স্যমন্ত হৰণ | (iv) | মাধৱ দেৱ |
| | | (v) | গোপাল আতা |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | (ii) | (i) | (v) | (iii) |
| (B) | (i) | (iii) | (iv) | (ii) |
| (C) | (iv) | (v) | (i) | (ii) |
| (D) | (v) | (iv) | (iii) | (ii) |

**40.**

| স্তম্ভ ‘ক’ | | স্তম্ভ ‘খ’ | |
|---|---|---|---|
| (a) | নলিনীবালা দেবী | (i) | বিস্মৃত ব্যতিক্ৰম |
| (b) | প্ৰফুল্লদত্ত গোস্বামী | (ii) | বিশ্বদীপা |
| (c) | মুনীন বৰকটকী | (iii) | খোজতে মিলাও খোজ |
| (d) | বীৰেন বৰকটকী | (iv) | এটা জীয়া কাহিনী |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | (ii) | (iv) | (i) | (iii) |
| (B) | (iv) | (ii) | (iii) | (i) |
| (C) | (i) | (ii) | (iv) | (iii) |
| (D) | (iii) | (iv) | (ii) | (i) |

41. স্তম্ভ 'ক' স্তম্ভ 'খ'

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' | |
|---|---|---|---|
| (a) | ৰাজদ্ৰোহী | (i) | বিৰিঞ্চিকুমাৰ বৰুৱা |
| (b) | এবেলাৰ নাট | (ii) | ফণী শৰ্মা |
| (c) | কিয়? | (iii) | সত্যপ্ৰসাদ বৰুৱা |
| (d) | নায়িকা নাট্যকাৰ | (iv) | চৈয়দ আব্দুল মালিক |
| | | (v) | জ্যোতিপ্ৰসাদ আগৰৱালা |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | (v) | (i) | (iii) | (iv) |
| (B) | (ii) | (iv) | (v) | (i) |
| (C) | (iv) | (i) | (ii) | (iii) |
| (D) | (ii) | (iii) | (iv) | (v) |

42. স্তম্ভ 'ক' স্তম্ভ 'খ'

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' | |
|---|---|---|---|
| (a) | বেণুধৰ শৰ্মা | (i) | বিলাতী হোজা |
| (b) | নৱকান্ত বৰুৱা | (ii) | মুকলি মনৰ সাধু |
| (c) | প্ৰফুল্লদত্ত গোস্বামী | (iii) | আখৰৰ জখলা |
| (d) | মহেশ্বৰ নেওগ | (iv) | ৰাংপতা |
| | | (v) | ডাৱৰৰ সিপাৰে ধুনীয়া দেশ |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | (i) | (ii) | (iii) | (v) |
| (B) | (ii) | (iii) | (iv) | (i) |
| (C) | (iv) | (iii) | (i) | (v) |
| (D) | (iv) | (i) | (ii) | (iii) |

43. স্তম্ভ 'ক' স্তম্ভ 'খ'

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' | |
|---|---|---|---|
| (a) | নীলা খামৰ চিঠি | (i) | জ্ঞানদাভিৰাম বৰুৱা |
| (b) | ইলাভনীটিলৈ মুকলি চিঠি | (ii) | হলীৰাম ডেকা |
| (c) | অলকালৈ চিঠি | (iii) | ললিত কুমাৰ বৰুৱা |
| (d) | বিলাতৰ চিঠি | (iv) | লীলা গগৈ |
| | | (v) | হেম বৰুৱা |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | (iv) | (iii) | (ii) | (i) |
| (B) | (iv) | (v) | (iii) | (ii) |
| (C) | (i) | (iii) | (iv) | (ii) |
| (D) | (ii) | (i) | (v) | (iii) |

44. স্তম্ভ 'ক' স্তম্ভ 'খ'

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' | |
|---|---|---|---|
| (a) | নীলমণি ফুকন | (i) | দীপালী |
| (b) | দুৰ্গেশ্বৰ শৰ্মা | (ii) | নিৰ্মালি |
| (c) | সূৰ্য্যকুমাৰ ভূঞা | (iii) | গুটিমালী |
| (d) | অতুল চন্দ্ৰ হাজৰিকা | (iv) | অঞ্জলি |
| | | (v) | শেৱালি |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | (v) | (ii) | (i) | (iii) |
| (B) | (iii) | (iv) | (ii) | (i) |
| (C) | (iv) | (iii) | (v) | (ii) |
| (D) | (iii) | (ii) | (i) | (v) |

**45.** স্তম্ভ 'ক' — স্তম্ভ 'খ'

| | স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|---|
| (a) | কাৰবালা | (i) | যতীন্দ্ৰনাথ দুৱৰা |
| (b) | ওমৰ তীৰ্থ | (ii) | হিতেশ্বৰ বৰবৰুৱা |
| (c) | হাফিজৰ সুৰ | (iii) | ৰঘুনাথ চৌধাৰী |
| (d) | ডেচডিমোনা কাব্য | (iv) | আনন্দ চন্দ্ৰ বৰুৱা |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | (i) | (ii) | (iv) | (iii) |
| (B) | (iii) | (i) | (ii) | (iv) |
| (C) | (iii) | (i) | (iv) | (ii) |
| (D) | (iv) | (iii) | (ii) | (i) |

***তলত দিয়া গদ্যখণ্ড মনোযোগেৰে পঢ়ি তাৰ তলত 46ৰ পৰা 50লৈ দিয়া প্ৰশ্ন কেইটাৰ শুদ্ধ উত্তৰ চিহ্নিত কৰা ঃ***

হোমাৰৰ কাব্য দুখনত মানৱৰ চেষ্টা আৰু দৈৱশক্তিৰ প্ৰভাৱে ব্যক্তিৰ ভাগ্য নিয়ন্ত্ৰণ কৰা দেখুৱাইছে। বহুক্ষেত্ৰত স্বপ্ন, ভৱিষ্যদ্বাণীৰ উপৰিও দেৱতাৰ প্ৰত্যক্ষ হস্তক্ষেপে চৰিত্ৰৰ ভাগ্যনিৰ্ণয় কৰা দুয়োখন কাব্যতে লক্ষ্য কৰা যায়। ইলিয়াড ট্ৰেজেডি; ইয়াত ট্ৰয়নগৰ সমূলে ধ্বংশ দেখুওৱাৰ উপৰিও সৰহভাগ পুৰুষৰ মৃত্যু আৰু নাৰীৰ বন্দিনী অৱস্থা প্ৰদৰ্শন কৰিছে। বহু নাৰী-পুৰুষ জুইত পুৰি মৰিছে। ইয়াৰ বিপৰীতে 'ওডিছি' কাব্য 'কমেডি' বা মিলনান্তক। উনৈশ বছৰৰ মূৰত প্ৰধান নায়ক-নায়িকাৰ মিলন ঘটিছে আৰু পৰস্ত্ৰী আৰু পৰসম্পত্তি ধ্বংস কৰা উদণ্ড যুৱকবোৰৰ মৃত্যু ঘটিছে। পাপৰ পৰিণাম কবিয়ে প্ৰদৰ্শন কৰিছে। 'ইলিয়াড'ৰ উপমা দুই এটাত ঘৰুৱা চিত্ৰৰ আংশিক ৰূপ প্ৰকাশ কৰিছে যদিও সামাজিক বা পাৰিবাৰিক জীৱনৰ সামগ্ৰিক ৰূপ পোৱা নাযায়। কিন্তু, 'ওডিছি'ত পাৰিবাৰিক জীৱনৰ বিশেষকৈ ইউলিছিছ আৰু সাধাৰণ মানুহৰ জীৱন-প্ৰৱাহৰ সুন্দৰ চিত্ৰ অংকিত হৈছে। দাস-দাসী, পামখেত, ভেৰাৰখীয়া, গৰুৰখীয়া, তাঁতশাল, ভোজভাত, পৰিচাৰিকাৰ নৈশ অভিসাৰ, খেল-ধেমালি, স্বৰ্ণকাৰ, সূত্ৰধাৰ (কাঠমিস্ত্ৰী), কমাৰ, ভৱিষ্যৎবক্তা, বেজজ্ঞানী, অতিথি সৎকাৰ, অতিথি বিদায়, বিদায় প্ৰসঙ্গত দিয়া উপহাৰ, বিভিন্ন ধাতুৰ সাজ-বাচন আদিৰ উল্লেখেৰে 'ওডিছি' কাব্য সমৃদ্ধ।

'ইলিয়াড'ত একিলিছৰ ক্ৰোধ আৰু ক্ৰোধৰ উপশান্তি প্ৰধান কথা হ'লেও একিলিছে কাব্যখনত একাধিপত্য বিস্তাৰ কৰা নাই; আন ভালেখিনি চৰিত্ৰই স্থান বিশেষে আধিপত্য বিস্তাৰ কৰিছে। সেই কাৰণে এই কাব্যক একক নায়কৰ কাব্য বুলি ক'ব নোৱাৰি। কিন্তু 'ওডিছি' একক নায়কৰ কাব্য, সমস্ত কাব্যখনত ওডিছিউছৰ প্ৰাধান্য অব্যাহত আছে। টেলিমেকাছৰ পিতৃ অন্বেষণতো ওডিছিউছ নেপথ্যলৈ যোৱা নাই। নেষ্টৰ আৰু মেনেলাউছৰ বিৱৰণতো তেওঁ পাঠকৰ সন্মুখৰ পৰা আঁতৰি যোৱা নাই।

দুয়োখন কাব্যৰ প্ৰধান নাৰীচৰিত্ৰ কেইটাই পাঠকৰ সহানুভূতি আকৰ্ষণ কৰে। 'ইলিয়াড'ৰ হেকুৰা, এন্দ্ৰমেকী, হেলেন আৰু 'ওডিছি'ৰ পেনিল'গী নৌচিকা মোহনীয় চৰিত্ৰ। দেখা যায় হোমাৰ নাৰীৰ প্ৰতি অধিক সহানুভূতিশীল আছিল। সেই বুলি দুষ্টা চৰিত্ৰা নাৰী যে নাই, এনে নহয়। পেনিলপীৰ পৰিচাৰিকাৰ কেইজনীমানক ভ্ৰষ্টা আৰু বিশ্বাসঘাতকিনী ৰূপে চিত্ৰিত কৰিছে। যাদুকাৰিণী নাৰী ৰূপে চাৰ্চী উল্লেখযোগ্য। চাৰ্চী প্ৰথমতে নিষ্ঠুৰা নাৰীৰূপে প্ৰকাশ পাইছে যদিও পাছলৈ তেওঁৰ প্ৰতি পাঠকৰ সহানুভূতি নাজাগি নাথাকে।

'ইলিয়াড'ৰ প্ৰধান নাৰী হেলেন পতিপৰায়ণা নহয়' ব্যভিচাৰিণীহে, কিন্তু 'ওডিছি'ৰ পেনিল'গী অসাধাৰণ পতিপৰায়না যাৰ তুলনা পাশ্চাত্য সাহিত্যত বিৰল। 'ওডিছি'ৰ কাহিনী একেজন চৰিত্ৰক কেন্দ্ৰ কৰি ঘটা স্বতন্ত্ৰ ঘটনা কিছুমানৰ সমষ্টি; কিন্তু 'ইলিয়াড' এটা কেন্দ্ৰস্থ বিষয়ক ভেটি কৰি সৃষ্টি হোৱা সংহতিপূৰ্ণ কাহিনী। 'ইলিয়াড'ৰ গ্ৰীক অভিযানৰ উদ্দেশ্য হেলেন উদ্ধাৰ যদিও কাব্যত হেলেন উদ্ধাৰ দেখুওৱা নাই; কিন্তু 'ওডিছি'ত স্বামী-স্ত্ৰীৰ মিলনত পৰিসমাপ্তি ঘটিছে।

**46.** দুয়োখন কাব্যৰে এটি সাধাৰণ বৈশিষ্ট্য হ'ল ঃ

(A) দুয়োখন কাব্যই ট্ৰেজেডি।

(B) দুয়োখন কাব্যই কমেডি।

(C) দুয়োখন কাব্যতে স্বপ্ন, ভৱিষ্যদ্বাণীৰ উপৰিও দৈৱশক্তিৰ প্ৰভাৱত চৰিত্ৰৰ ভাগ্য নিৰ্ণীত হোৱা দেখুৱা হৈছে।

(D) দুয়োখন কাব্যতে মূল চৰিত্ৰকেইটাৰ পাৰিবাৰিক জীৱনৰ সামগ্ৰিক ৰূপ আৰু মৃত্যু হোৱা দেখা পোৱা যায়।

**47.** 'ওডিছি' কাব্যত কবিয়ে পাপৰ পৰিণাম প্ৰদৰ্শন কৰিছে। যি উদাহৰণৰ পৰা এই কথাৰ সমৰ্থন মিলে সেইটো হ'ল ঃ

(A) কাব্যখনৰ নায়ক-নায়িকাৰ মিলন ঘটিবলৈ উনৈশ বছৰ লাগিছে।

(B) মিলনান্তক কাহিনীত পাপীৰ শাস্তি দেখুৱা হয়েই।

(C) কাব্যখনত সৰহভাগ পুৰুষৰ মৃত্যু আৰু নাৰীৰ বন্দিনী অৱস্থা প্ৰদৰ্শন কৰা হৈছে।

(D) কাহিনীত পৰস্ত্ৰী গমন কৰা আৰু পৰসম্পত্তি ধ্বংস কৰা উদণ্ড যুৱকবোৰৰ শেষত মৃত্যু ঘটিছে।

**48.** 'ওডিছি' কাব্যত সাধাৰণ মানুহৰ জীৱন-প্ৰৱাহৰ সুন্দৰ চিত্ৰ অংকিত হৈছে বুলি ক'ব পাৰি, কাৰণ ঃ

(A) ইউলিছ্ছৰ উপৰিও ওডিছিত দাস-দাসী, পশুপালক বৃত্তিজীৱী আদিৰ জীৱন-শৈলীয়ে স্থান পাইছে।

(B) ইয়াত সাধাৰণ মানুহৰ কথা সাধাৰণ ভাষাতে বৰ্ণনা কৰা হৈছে।

(C) ইয়াত ইউলিছিছৰ পূৰ্বজন্মৰ কথাও বৰ্ণনা কৰা হৈছে।

(D) ওডিছিৰ মূল চৰিত্ৰ ইউলিছিছ অতি সাধৰণ শ্ৰেণীৰ মানুহৰ প্ৰতিনিধি।

49. 'ইলিয়াড'ক একক নায়কৰ কাব্য বুলি ক'ব নোৱাৰি, কাৰণ ঃ

(A) ইয়াত মূল চৰিত্ৰৰ লগতে তেওঁৰ দাস-দাসীবোৰেও প্ৰাধান্য পাইছে।

(B) গোটেই কাব্যখনত মূল চৰিত্ৰ একিলিছৰ আধিপত্য অতি সীমিত; তাৰ বিপৰীতে বিভিন্ন চৰিত্ৰই স্থান বিশেষে আধিপত্য বিস্তাৰ কৰিছে।

(C) ইয়াত কোনো নাৰী চৰিত্ৰৰ অৱতাৰণা কৰা হোৱা নাই।

(D) একক নায়কৰ চৰিত্ৰ-প্ৰধান কাব্য হ'বলৈ কেৱল এটা চৰিত্ৰহে কাব্যখনত থাকিব লাগে।

50. তলৰ কোনটো বক্তব্য শুদ্ধ নহয় ঃ

(A) 'ইলিয়াড' আৰু 'ওডিছি' দুয়োখন কাব্যত স্বপ্ন আৰু ভৱিষ্যদ্বাণীৰ তথা দেৱতাৰ প্ৰত্যক্ষ হস্তক্ষেপৰ বৰ্ণনা আছে।

(B) 'ইলিয়াড' কাব্যত সামাজিক আৰু পাৰিবাৰিক জীৱনৰ সামগ্ৰিক চিত্ৰ অঙ্কন কৰা হৈছে।

(C) 'ওডিছি' কাব্যত প্ৰধান চৰিত্ৰ ওডিছিউছৰ প্ৰাধান্য আদ্যোপান্ত লক্ষ্য কৰা যায়।

(D) 'ইলিয়াড'ৰ কাহিনীভাগত হেলেন উদ্ধাৰৰ বৰ্ণনা সংযোজিত হোৱা নাই যদিও ইয়াত হেলেন উদ্ধাৰেই অভিযানৰ উদ্দেশ্য।

- o O o -

**Space For Rough Work**